BORHOLLA COLLEGE
Estd.- 1990
BORHOLLA, JORHAT (ASSAM)

# BORHOLLA COLLEGE

# FIELD STUDY

## Importance of Environmental Awarness

REGURDING HEALTH : AN EDUCATIONAL PRESPECTIVE

(STUDY BASED ON VILLAGE PEOPLE)

BEBEJIA GAON

DEPARTMENT OF EDUCATION
Date ............
BORHOLLA COLLEGE

Submitted By

TULIKA GOGOI

DEPARTMENT OF EDUCATION

YEAR : 2021-2022

BORHOLLA COLLEGE

REGISTRATION NO :

ROLL NO : 29110093

Title :

গোলাঘাট জিলাৰ আঠখেলীয়া গাওঁ পঞ্চায়তৰ অন্তৰ্গত বেবেজীয়া গাওঁৰ নিবাসী ব্যক্তি সকলৰ স্বাস্থ্য সম্পৰ্কত পৰিবেশীয় সচেতনতা সম্পৰ্কে অধ্যয়ন কৰা এক প্ৰতিবেদন ।

## Objective:

এই প্ৰতিবেদনখন প্ৰস্তুত কৰিবলৈ লোৱাৰ মূল উদ্দেশ্য হ'ল গাওঁ খনৰ লোকসকলৰ স্বাস্থ্য সম্পৰ্কে পৰিবেশ সম্পৰ্কত সজাগতাৰ ওপৰত সজাগতাৰ ওপৰত আলোচনা কৰা ।

## Historical Background of Bebejia Gaon :

পৰিবেশীয় শিক্ষা হ'ল পৰিবেশৰ কাৰণে আৰু পৰিবেশৰ বিষয়ে শিক্ষা । ১৯৭০ চনৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰিবেশীয় শিক্ষা আইন "United State of Environment Education 1970" -ৰ মতামত আনুসৰি পৰিবেশীয় শিক্ষা হৈছে এনে এক প্ৰক্ৰিয়া, যিটোৱে প্ৰাকৃতিক আৰু মানুহৰ সৃষ্টি কৰা চৌপাশৰ সৈতে মানুহৰ সম্পৰ্ক অধ্যয়ন কৰে । এই শিক্ষাই মানুহৰ সামগ্ৰীক পৰিৱেশৰ লগত জনসংখ্যাৰ প্ৰদূষণ , সম্পদৰ বিতৰন, সংৰক্ষন, পৰিবহন, প্ৰযুক্তিবিদ্যা, নগৰ আৰু গ্ৰাম্য পৰিকল্পনাৰ সম্পৰ্কে আলোচনা কৰা। পৰিবেশিয় শিক্ষাই পৰিবেশ অৰ্থাৎ আমাৰ চাৰিওফালে আৱৰি ৰখা পাৰিপাশ্বিক অৱস্থাক আমাৰ শাৰিৰীক আৰু সামাজিক পৰিৱেশৰ দৰেই সুন্দৰ কৰি ৰাখিবৰ বাবে জ্ঞান প্ৰদান কৰে। এক সুস্থ প্ৰাকৃতিক পৰিৱেশেহে যে এক সুস্থ শাৰীৰিক আৰু সামাজিক পৰিৱেশৰ সৃষ্টি কৰে সেই সম্পৰ্কে পৰিৱেশীয় শিক্ষাই মানুহক নিজস্ব পৰিৱেশৰ বিভিন্ন সমস্যাৰাজি প্ৰনালীবদ্ধ ভাবে সমাধান কৰি পৰিবেশক সুন্দৰ আৰু সুস্থ কৰি ৰাখিবৰ বাবে প্ৰয়োজনীয় জ্ঞান আৰু দক্ষতা প্ৰদান কৰে, পৰিবেশীয় শিক্ষাই মানুহক জীৱন প্ৰক্ৰিয়াত বায়ু প্ৰদূষণ, জল প্ৰদূষণ, তাপ প্ৰদূষণ, তেজষ্ক্ৰিয় ৰশ্মি শব্দ প্ৰদূষণ ইত্যাদি বিভিন্ন প্ৰদূষনসমূহৰ প্ৰভাব সম্পৰ্কে পুংখানুপুংখভাবে আালোচনা কৰে ইয়াৰোপৰি বিভিন্ন প্ৰকাৰৰ প্ৰদূষণৰ কাৰণ আৰু এই সমূহৰ ৰোধ আৰু নিবাময় কৰাৰ উপায় সম্পৰ্কেও পৰিৱেশীয় শিক্ষাই প্ৰণালীবদ্ধ ভাৱে আৰু বিতংভাবে বিশ্লেষণ আগবঢ়ায় । পৰিৱেশীয় শিক্ষাই মানুহৰ মূল্যবোধ ধ্যান-ধাৰনা আৰু জীৱন নিবাহৰ পদ্ধতি কেনেদৰে প্ৰকৃতিৰ লগত সু-সামঞ্জ্যসহ বৃজাই ৰাখি উন্নত কৰিব পাৰে সেই সম্পৰ্কে আলোচনা কৰে। ইয়াৰোপৰি, প্ৰাকৃতিক সম্পদ

মানুহৰ নক্ষত্ৰৰেশণ আৰু ব্যৱহাৰ সম্পৰ্কে জ্ঞান প্ৰদান কৰি প্ৰকৃতি আৰু মানুহৰ মাজত ভাৰসাম্য ৰখাৰ বাবে জীৱন ধাৰণৰ পদ্ধতিৰ পৰিবৰ্তন সাধন আৰু এই দিশবোৰৰ প্ৰতি সচেতন কৰি তোলাৰ ওপৰত প্ৰয়োজনীয় গুৰুত্ব প্ৰদান কৰে।

ভাৰতবৰ্ষৰ সাতভনীৰ অন্তৰ্গত অসম ৰাজ্যৰ গোলাঘাট জিলাৰ পূব প্ৰান্তত মক্ৰং, ধিলাধাৰী আৰু কাকডোঙা নদীৰ সংগম স্থলত অৱস্থিত অসমৰ প্ৰসিদ্ধ ধৰ্মানুষ্ঠান শ্ৰী শ্ৰী আঠখেলীয়া নামঘৰ, এই বৃহত্তম পবিত্ৰ মহান অনুষ্ঠান ভাগিৰ নামাকৰণেই বৃহৎ অঞ্চলটোৰ নাম হ'ল আঠখেলীয়া ।

এই আঠখেলীয়া নামঘৰ ভাগিৰ উৎপত্তি সম্পৰ্কে এক প্ৰবাদ আছে । ১৬৭০ খ্ৰীঃ ৰ পৰা ১৬৮১ খ্ৰীঃ লৈকে আহোমৰ ল'ৰাৰজা সিংহাসনত বহাৰ পাছতেই তেওঁৰ ৰাজ্যৰ ৰাজকোঁৱৰ সকলক অংগক্ষত কৰি আহোম ৰাজ সিংহাসন নিচকন্তক কৰাৰ মানসেৰে গদাপানী কোঁৱৰক চাওদাং সকলে বিচাৰি ফুৰিছিল । সেই সময়তে গদাপানী কোঁৱৰে চাওদাংৰ পৰা হাত সাৰিবলৈ কাকডোঙাৰ পাৰে পাৰে পলাই আহি থাকোঁতে বৰ্তমানৰ নাকমঘৰ ভাগি অৱস্থিত ঠাইত উপস্থিত হৈছিলহি। ঠিক সেই সময়তে চাওদাং সকলৰ সৈতে মুখামুখি হোৱাৰ পথত ভাঠ মকৰাজালে তেওঁক লুকাই ৰাখিছিল, সেয়ে চাওদাং সকলে তেওঁক বিচাৰি নাপাই আকৌ উভতি গুচি গ'ল, তাতেই গদাপানী কোঁৱৰে কিছুদিন থাকি তেওঁৰ হাতত থকা ত্ৰিশূলপাত তাতেই পুতি তেওঁ নগাপাহাৰলৈ গুচি গ'ল। ১৬৮১ খ্ৰী: যেতিয়া তেওঁ সেই ত্ৰিশূলপাত পুতি থৈ যোৱা ঠাই খনত আহি আঠটা পৰিয়ালক আনি হৰি মন্দিৰ বা নামঘৰ ভাগি প্ৰতিষ্ঠা কৰে। এই আঠটা পৰিয়ালেই সেইসময়ত ৰজাঘৰীয়া ৰাবখোৱা লোক অন্তভূক্ত আছিল বাবেই সেই ঋৰ অনুসৰি নামাকৰণ কৰা হৈছে, ১/বচাকুৰি ২/বৈৰাগী কুৰি ৩/ব্ৰাহ্মন কুৰি ৪/নাঙ্গল কুৰি ৫/শলাল কুৰি ৬/ কছাৰী কুৰি ৭/বৰাহী কুৰি ৮/কাকতি কুৰি সেয়ে এই আঠটা কুৰিৰ সমষ্টিয়েই আঠকুৰীয়া পাছলৈ আঠখেলীয়া নামেৰে জনাজাত হৈ পৰিল। বৰ্তমানৰ শ্ৰী শ্ৰী আঠখেলীয়া নামঘৰ আদিম অৱস্থাত প্ৰকাণ্ড প্ৰকাণ্ড হেঙুল হইতাল থকা বটবৃক্ষৰে পৰিবেষ্টিত সন্তলোকৰ এটি সৰু মন্দিৰ।আঠখেলীয়া নামঘৰ অতীত কালৰে পৰাই ধৰ্মীয় কাৰ্য্য পূজা-পালন চলি আহিছিল, ইয়াৰ আদিম পূজাৰী আছিল, কাশ্যপ গোত্ৰোদ্ভৱ প্ৰাতঃ স্মৰনীয় ব্যক্তি স্বৰ্গীয় বনমালী দেৱশৰ্মা।

শ্ৰী শ্ৰী আঠখেলীয়া নামঘৰৰ পূব দিশত অৱস্থিত ইকৰানি গাওঁ গৈ ৰজাবাহাৰ পাৰ পাৰি ৰজাবাহাৰো হ'ল ৰেঞ্জীপ্ৰসিদ্ধ ঠাই, নামঘৰ পশ্চিম দিশে বৰবৰা আলিয়েদি গলেই শ্বহীদ কুশল কোঁৱৰৰ জন্মস্থান চাওদাং চৰিআলি (বৰ্তমানৰ বালিজান চাৰিআলি) পোৱা যায়। এই স্থানত সেইকালত ৰজাৰ চাঁওদংৰ বসতি স্থল আছিল যদিও এতিয়া সেই সকলৰ বংশধৰ সকল কলৈ গ'ল জনা নযায়। আঠখেলীয়া নামঘৰৰ উত্তৰ দিশে সমীপস্থ কাকডোঙা নদীৰ মথাউৰীয়েদি বচা কুমাৰ গাওঁ, বচা ভৰলুৱা গাওঁ, ৰজনামাট আদি গাওঁ সমূহৰ মাজেদি প্ৰায় ৫ কিঃ মিঃ মান গলেই পোৱা যায় ধোদৰ আলি। এই ধোদৰ আলি আহোম ৰজা গদাধৰ সিংহৰ দিনতেই ধোদ সকলৰ দ্বাৰা বন্ধোৱা হৈছিল বাবেই অদ্যপৰিমিত ধোদৰ আলি নামেৰে জনাজাত। আঠখেলীয়াৰ দক্ষিণ দিশত থকা ছচিয়েলিষ্ট পথাৰৰ ৰজা দিনৰ বৰপুখুৰী হেড শিমলুকে আদি কৰি নহাপাহাৰলৈকে বৰহোলা নগাবাট, নগাবাট আদিতো পৌৰানিক কাহিনী জড়িত হৈ আছে।

এই আঠখেলীয়া অঞ্চলটো হৈছে এটা বৃহ্য এবিঘা (বা এলেকা) আঠখেলীয়া প্ৰাথমিক শিক্ষা মাধ্যমিক শিক্ষাৰ বিদ্যালয় কেইবাখনো আছে ১৯৫০ চনত স্থানীয় ব্যক্তিৰ সহযোগত এখনি বিদ্যালয় প্ৰতিষ্ঠা কৰা হয় সেইখনেই হৈছে আঠখেলীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়। ইয়াৰ উপৰিও আঠখেলীয়া নামঘৰত এখন বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ো আছে। ১৯৮৭ চনত অসম গন পৰিষদ চৰকাৰৰ দিনত আঠখেলীয়া নামঘৰৰ নামাকৰনেৰে আঠখেলীয়া উপ স্বাস্থ্য কেন্দ্ৰটি প্ৰতিস্থা কৰা হয়। আৰু ইয়াৰ ওচৰতে এটা পশু স্বাস্থ্য কেন্দ্ৰও আছে। আঠখেলীয়া নামঘৰ নিচেই সমিপতে অৱস্থিত শ্ৰী শ্ৰী আঠখেলীয়া শিৱ মন্দিৰ।(প্ৰবিত্ৰ ভাদ মাহত শ্ৰী শ্ৰী আঠখেলীয়া নামঘৰলৈ অলেখ লোকৰ সুত বয়)।

মক্ৰং নদীৰ পশ্চিম পাৰে আৰু ৰৰবৰা পথৰ কাষত অৱস্থিত এখন গাওঁ হৈছে "বেৱেজীয়া" বিভিন্ন জাতি জনগোষ্ঠিৰ লোকসকলে বাস কৰা বাবেই এই গাওঁখনৰ নাম বেৱেজীয়া নামেৰে নামাকৰন কৰা হয় বেৱেজীয়া গাওঁখনি আঠখেলীয়া অঞ্চলটিৰ অন্তৰ্গত এখন বিশেষ গাওঁ। গাওঁ খন পূব দিশত অৱস্থিত অসম প্ৰসিদ্ধ শ্ৰী শ্ৰী আঠখেলীয়া নামঘৰ। আঠখেলীয়াৰ ৬নং মক্ৰং হাৱিৰ গেজিংত এই শ্ৰী শ্ৰী আঠখেলীয়া নামঘৰ ভাগি অৱস্থিত। গাওঁ খনৰ পশ্চিম দিশত মাহিমেলীয়া গাওঁ, উত্তৰ দিশত বচা পুলিকাইটনী আৰু দক্ষিণ দিশত বাৰিছোৱা গাওঁ। ইয়াৰ মাজৰ অংশটোৱেই হল বেৱেজিয়া, বৰ্তমান আঠখেলীয়াৰ প্ৰায়ভাগ পথেই পকীকৰন আৰু ইয়াৰ যান-বহৰ সুবিধাও অতি সুন্দৰ।।

আঠখেলীয়া দক্ষিণ দিশত অৱস্থিত বৰহোলা অঞ্চল। যোৰহাট জিলাৰ তিতাবৰ মহকুমাৰ একেবাৰে দক্ষিণ অঞ্চলত আৰু নগাবাজাৰ সীমান্তত স্থাপন গাওঁ পঞ্চয়ত ক্ৰমে বৰহোলা, বজাৰাহাৰ, কাকডোঙা, বেকাজান, বইনাজুৰি, টেঙাজান, ইকৰানি, এনেকা সমৰি "বৰহোলা" অঞ্চলটো গঠিত হৈছে। বৰ্তমান সময়ত বৃহত্তৰ বৰহোলা অঞ্চলৰ জনসংখ্যা প্ৰায় লাখৰো অধিক। জনবসতি ফালৰ পৰা ইয়াত হিন্দু, মুছলমান, খ্ৰীষ্টীয়ান, বড়ো মিচিং, বংগালী, নেপালী, কোচ, মেককে, আদি কৰি বিভিন্ন জাতিৰ লোকে বসবাস কৰে এই সকলৰ প্ৰায় সৰহ ভাগ মানুহেই কৃষিজীৱী।

শিক্ষাৰ দিশত ১৯৮৭ চনলৈকে ইংৰাজী শিক্ষা লবৰ বাবে বৰহোলাত এখনো এম.ই.স্কুল নাছিল। কিন্তু ১৯৮৭ চনতেই প্ৰয়াত ৰামেশ্বৰ সোনোৱালৰ সভাপতিত্বত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাৰ সিদ্ধান্তমৰ্মে ১৯৮৭ চনৰ ১৮ মাৰ্চ তাৰিখে বৰহোলো কাকডোঙা নৈ পাৰত ৰোমেশ্বৰ মহন্তৰ তত্বাৱধানত "বৰহোলা মাইনৰ স্কুল" প্ৰতিষ্ঠা কৰা হয়, এই এম: ই স্কুল খনৰ গইনা লৈ ১৯৫৮ চনত বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰতিষ্ঠা হয় আৰু ১৯৭৭ চনত এই খন হাইস্কুলকে চৰকাৰে উচ্চতৰ মধ্যমিক পৰ্যায়লৈ উন্নীত কৰে। তাৰোপৰি এই বিদ্যালয়ৰে ১৩বিঘা মাটিত ১৯৯০ চনত বৰহোলা মহাবিদ্যালয় প্ৰতিষ্ঠা হয়। বৰ্তমান এই মহাবিদ্যালয়খনে ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু অসম চৰকাৰৰ পৰা স্বীকৃতিৰ লগতে মঞ্জুৰী প্ৰাপ্ত এখন মহাবিদ্যালয়। বৰ্তমান বৰহোলা অঞ্চলটো শিক্ষাৰ দিশত আগবঢ়া, বৰ্তমানে এই অঞ্চলত আৱশ্যকীয় সকলো সুবিধাই আছে।

Methodology:- গোলাঘাট জিলাৰ আঠখেলীয়া গাওঁ পঞ্চায়ত ৰ অন্তৰ্গত বেবেজীয়া গাওঁৰ নিবাসী ব্যক্তিসকলৰ পৰিৱেশৰ সজাগতা সম্পৰ্কে অধ্যয়ন কৰিবৰ বাবে প্ৰাথমিক তথ্য দ্বিতীয়ক তথ্য সংগ্ৰহ কৰাৰ লগতে Random sampling পদ্ধতি গ্ৰহন কৰা হল। ইয়াৰ দ্বাৰা গওঁ খনৰ শিক্ষিত হাৰৰ লগতে পৰিৱেশীয় সচেতন সম্পকে তথ্য লাভ কৰি তাৰ হাৰ নিৰ্নয় কৰা হল।

Finding of the study:- বেবেজীয়া গাঁৱৰ লোকসকলৰ সজাগতা সম্পৰ্কে জানিবলৈ ২০টা পৰিয়ালৰ তথ্য সংগ্ৰহ কৰি প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে। এই ২০টা পৰিয়ালৰ পৰা পোৱা গাওঁ খনৰ লোক সকলৰ ওপৰত তথ্য বিশ্লেষন কৰি মুঠ পুৰুষ আৰু মহিলা তলত দিয়া ধৰণে তথ্য পোৱা যায়।

তালিকা নং - ১

| লিংগ | মুঠ জনসংখ্যা | শতকৰা হাৰ |
| --- | --- | --- |
| পুৰুষ | ৫০ | ৪৫.৪৫% |
| মহিলা | ৬০ | ৫৪.৫৫% |
| সৰ্বমুঠ | ১১০ | ১০০% |

সমীক্ষা অনুসৰি বেৰেঙীয়া গাওঁখনত মহিলাৰ সংখ্যাৰ তুলনাত পুৰুষৰ সংখ্যা কম ৬০গৰাকী অৰ্থাৎ ৪৫.৪৫ শতাংশ। গতিকে কব পাৰি যে মহিলাৰ তুলনাত পুৰুষৰ সংখ্যা কম।

বেৰেঙীয়া গাওঁৰ লোক সকলৰ জাতিৰ ওপৰত তথ্য বিশ্লেষণ কৰিলে তলত দিয়া ধৰণে দেখিবলৈ পাও।

| তালিকা নং ২ | | | | |
| --- | --- | --- | --- | --- |
| জাতি Cast | পুৰুষ | পুৰুষৰ শতকৰা হাৰ | মহিলা | মহিলাৰ শতকৰা হাৰ |
| GEN | ২০ | ৪০% | ২৫ | ৪১.৬৭% |
| OBC | ১৪ | ২৮% | ১৫ | ২৫% |
| ST | ১০ | ২০% | ১৪ | ২৩.৩৩% |
| SC | ৬ | ১২% | ৬ | ১০% |
| সৰ্বমুঠ | ৫০ | ১০০% | ৬০ | ১০০% |

উক্ত তালিকা নং ২ ত উল্লেখ কৰা তথ্য সমূহৰ পৰা দেখা পালো যে General cast ৰ পুৰুষৰ সংখ্যা ২০ জন অৰ্থাৎ ৪০ শতাংশ আৰু মহিলাৰ সংখ্যা ২৫ গৰাকী অৰ্থাৎ ৪১.৬৭ শতাংশ OBC ৰ পুৰুষৰ সংখ্যা ১৪ জন অথাৎ ২৮ শতাংশ আৰু মহিলাৰ সংখ্যা ১৫ গৰাকী অৰ্থাৎ


ওপৰত উল্লেখ কৰা তথ্যৰ পৰা দেখা গল যে পুৰুষৰ তুলনাত মহিলাৰ অশিক্ষিত হাৰ বেছি। পুৰুষৰ ৭ জন অৰ্থাৎ ৩৩.৩৩ শতাংশ আৰু মহিলা ১৪ গৰাকী অৰ্থাৎ ৬৬.৬৭ শতাংশ। গতিকে দেখা যায় যে পুৰুষৰ তুলনাত অশিক্ষিত মহিলাৰ সংখ্যা বেছি।

গাওঁ খনৰ নিবাসী ব্যক্তিসকলৰ পুৰুষৰ আৰু মহিলাৰ প্ৰাথমিক শিক্ষা মাধ্যমিক শিক্ষা আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰত তথ্য বিশ্লেষণ কৰোতে তলত দিয়া ধৰণে তথ্য পাওঁ -

তালিকা নং ৫

| লিংগ | প্ৰাথমিক শিক্ষা | শতকৰা হাৰ | মাধ্যমিক শিক্ষা | শতকৰা হাৰ | উচ্চ শিক্ষা | শতকৰা হাৰ | সৰ্বমুঠ |
|---|---|---|---|---|---|---|---|
| পুৰুষ | ৫ | ১১.১১ | ২২ | ৪৮.৮৯ | ১৮ | ৪০ | ১০০ |
| মহিলা | ৯ | ২০.৪৫ | ২৩ | ৫২.২৭ | ১২ | ২৭.২৮ | ১০০ |

তালিকা নং ৫ ৰ চিত্ৰ:-



ওপৰত উল্লেখ কৰা তথ্যৰ পৰা দেখা গল যে গাওঁ খনৰ ২০টা পৰিয়ালৰ মুঠ পুৰুষৰ ৫জন অৰ্থাৎ ১১.১১ শতাংশ লোক প্ৰাথমিক শিক্ষাৰে শিক্ষিত আনহাতে মহিলাৰ ৯ গৰাকী অৰ্থাৎ ২০.৪৫ শতাংশ মহিলা প্ৰাথমিক শিক্ষা লাভ কৰিছে

মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত ২০টা পৰিয়ালৰ ২২ জন অৰ্থাৎ ৪৮.৮৯ শতাংশ পুৰুষ মাধ্যমিক শিক্ষাৰে শিক্ষিত আনহাতে ২৩গৰাকী অৰ্থাৎ ৫২.২৭ শতাংশ মহিলা মাধ্যমিক শিক্ষা গ্ৰহন কৰিছে।

ঠিক তেনেদৰে উচ্চ শিক্ষাৰ ক্ষেত্ৰতো ২০টা পৰিয়ালৰ ১৪ জন অৰ্থাৎ ৪০ শতাংশ পুৰুষে উচ্চ শিক্ষা লাভ কৰিছে। আনহাতেদি ১২ গৰাকী মহিলা অৰ্থাৎ ২৭.২৮ শতাংশ মহিলা উচ্চ শিক্ষ গ্ৰহন কৰিছে।

উপৰিউক্ত তালিকাৰ পৰা দেখা গল যে মহিলাতকৈ পুৰুষৰ শিক্ষিত হাৰ অলপ বেছি।

বেবেজীয়া গাওঁৰ লোকসকলৰ পৰিৱেশ সম্পৰ্কে জ্ঞান আছে নে নাই বা পৰিবেশৰ সজাগতাৰ প্ৰয়োজন আছে নে নাই সেই সম্পৰ্কে বিশ্লেষণ কৰা তথ্য সমূহ ৬নং তালিকাত উল্লেখ কৰা হল-

| তালিকা নং ৬ | | | | | |
|---|---|---|---|---|---|
| মুঠ পৰিয়াল | আছে | শতকৰা হাৰ | নাই | শতকৰা হাৰ | সৰ্বমুঠ |
| ২০ | ২০ | ১০০% | ০ | ০% | ১০০% |

ওপৰৰ তালিকাখন বিশ্লেষন কৰিলে দেখা যায় যে এই গাঁওখনৰ ব্যক্তিসকলৰ প্ৰায় প্ৰতিজনে পৰিবেশৰ সম্পৰ্কে জ্ঞান আছে। প্ৰত্যেকজন ব্যক্তিয়ে নিজৰ পৰিবেশটো স্বাস্থ্য সন্মতভাবে ৰখাৰ ওপৰত গুৰুত দিয়ে।

গাওঁ লোকসকলৰ স্বাস্থ্যৰ সম্পৰ্কে জ্ঞানৰ ওপৰত তথ্য বিশ্লেষণ কৰোঁতে তলত দিয়া ধৰণে তথ্য পাওঁ-

| তালিকা নং ৭ | | | | | |
|---|---|---|---|---|---|
| পৰিয়ালৰ সংখ্যা | আছে | শতকৰা হাৰ | নাই | শতকৰা হাৰ | সৰ্বমুঠ |
| ২০ | ১৮ | ৯০% | ২ | ১০% | ১০০% |

স্বাস্থ্য সম্পৰ্কে জ্ঞানৰ ওপৰত তথ্য বিশ্লেষণ কৰিলে দেখা যায় যে মুঠ পৰিয়ালৰ ১৮ টা অৰ্থাৎ ৯০ শতাংশ পৰিয়ালৰ স্বাস্থ্য সম্পৰ্কে জ্ঞান আছে আনহাতে মুঠ পৰিয়ালৰ ২ টা অৰ্থাৎ ১০ শতাংশ পৰিয়ালৰ স্বাস্থ্য সম্পৰ্কে জ্ঞান নাই

গাওঁখনৰ ব্যক্তিসকলৰ প্ৰধান মন্ত্ৰী স্বচ্ছ ভাৰত অভিযান সম্পৰ্কে জ্ঞান হয়/নহয় তাৰ ওপৰত তথ্য বিশ্লেষণ কৰোঁতে তলত দিয়া ধৰণে তথ্য পাওঁ-

| তালিকা নং -৮ | | | | | |
|---|---|---|---|---|---|
| পৰিয়ালৰ সংখ্যা | হয় | শতকৰা হাৰ | নহয় | শতকৰা হাৰ | সৰ্বমুঠ |
| ২০ | ১৭ | ৮৫% | ৩ | ১৫% | ১০০% |

ওপৰত উল্লেখ কৰা তথ্যৰ পৰা দেখা গল যে মুঠ পৰিয়ালৰ ১৭ টা অৰ্থাৎ ৪৫ শতাংশ পৰিয়ালৰ প্ৰধান মন্ত্ৰী স্বচ্ছ ভাৰত অভিযান সম্পৰ্কে জ্ঞাত হয় আনহাতে মুঠ পৰিয়ালৰ ৩টা অৰ্থাৎ ১৫ শতাংশ পৰিয়ালৰ জ্ঞাত নহয়।


বেবেজীয়া গাওঁৰ ব্যক্তিসকলৰ ঘৰত বিজ্ঞানসন্মত শৌচাগাৰ আছে/নাই তাৰ তথ্য ৯ নং তালিকাত উল্লেখ হ'ল -

| তালিকা নং ৯ | | | | | |
|---|---|---|---|---|---|
| পৰিয়ালৰ সংখ্যা | আছে | শতকৰা হাৰ | নাই | শতকৰা হাৰ | সৰ্বমুঠ |
| ২০ | ২০ | ১০০% | ০ | ০ | ১০০% |

ওপৰৰ তালিকাৰ পৰা দেখা যায় যে বেবেজীয়া গাওঁৰ ১০০ শতাংশ মানুহৰ ঘৰতে বিজ্ঞানসন্মত শৌচাগাৰ আছে।

গাওঁখনৰ ব্যক্তিসকলৰ খোৱা পানীৰ ব্যৱস্থা স্বাস্থ্য সন্মত হয় নে নহয় সেই সম্পৰ্কে বিশ্লেষণ কৰা তথ্য সম্পৰ্কে বিশ্লেষন কৰা তথ্য সম্পৰ্কে ১০ নং তালিকাত উল্লেখ কৰা হ'ল -

| তালিকা নং ১০ | | | | | |
|---|---|---|---|---|---|
| পৰিয়ালৰ সংখ্যা | হয় | শতকৰা হাৰ | নহয় | শতকৰা হাৰ | সৰ্বমুঠ |




জাতি

২৫শতংশ। ST ৰ পুৰুষৰ সংখ্যা ১০ জন অথাৎ ২০ শতাংশ, আৰু মহিলাৰ সংখ্যা ১৪ গৰাকী অৰ্থাৎ ২৩.২৩ শতাংশ SC ৰ পুৰুষৰ সংখ্যা ৬জন অৰ্থাৎ ১০ শতাংশ। গতিকে দেখা গল যে বেবেজীয়া গাওঁৰ পুৰুষৰ তুলনাত মহিলাৰ সংখ্যা বেছি।


বেবেজীয়া গাওঁৰ লোকসকলৰ শৈক্ষিক দিশৰ ওপৰত তথ্য যুগুত কৰোতে তলত দিয়া ধৰণে তথ্য দেখিবলে পোৱা যায়।

| তালিকা নং-৩ | | | | |
|---|---|---|---|---|
| লিংগ | মুঠ জনসংখ্যা | শিক্ষিত পুৰুষ | শিক্ষিত মহিলা | শতকৰা হাৰ |
| পুৰুষ | ৪৫ | ৫০.৫৬% | | ৫০.৫৬% |
| মহিলা | ৪৪ | | ৪৯.৪৪% | ৪৯.৪৪% |
| সৰ্বমুঠ | ৮৯ | | | ১০০% |

ওপৰৰ তালিকা খন বিশ্লেষণ কৰিলে দেখা যায় যে গাওঁ খনৰ লোক সকলৰ পুৰুষৰ ৪৫ জন অৰ্থাৎ ৫৫.৪৪ শতাংশ শিক্ষিত আৰু মহিলাৰ ৪৪ গৰাকী অৰ্থাৎ [illegible] শতাংশ শিক্ষিত

ইয়াৰ পৰা দেখা গল যে গাওঁখনত পুৰুষৰ শিক্ষিত হাৰ মহিলাতকৈ বেছি। গাওঁ খনৰ লোকসকলৰ মাজত অশিক্ষিত লোকৰ তথ্য বিশ্লেষণ কৰোতে তলত দিয়া ধৰণে তথ্য পাওঁ

| তালিকা নং ৪ | | | | |
|---|---|---|---|---|
| লিংগ | মুঠ জনসংখ্যা | শিক্ষিত পুৰুষ | অশিক্ষিত মহিলা | শতকৰা হাৰ |
| পুৰুষ | ৭ | ৩৩.৩৩ | | ৩৩.৩৩ |
| মহিলা | ১৪ | | ৬৬.৬৭ | ৬৬.৬৭ |
| সৰ্বমুঠ | ২১ | | | ১০০% |



| | | | | | |
|---|---|---|---|---|---|
| ২০ | ৯ | ৪৫% | ১১ | ৫৫% | ১০০% |

ওপৰতৰ উল্লেখ কৰা তথ্যৰে পৰা দেখা গল যে মুঠ পৰিয়ালৰ ৯টা অথাৎ ৪৫ শতাংশ পৰিয়ালেহে স্বাস্থ্য সন্মত খোৱাপানী ব্যৱহাৰ কৰে। আনহাতে মুঠ পৰিয়ালৰ ১১টা অথাৎ ৫৫ শতাংশ পৰিয়ালে স্বাস্থ্য সন্মত খোৱাপানী ব্যৱহাৰ নকৰে

গতিকে দেখা যায় যে এই গাওঁখনৰ স্বাস্থ্য সন্মত খোৱা পানী ব্যৱহাৰ কৰা পৰিয়ালৰ সংখ্যাতকৈ স্বস্থ্য সন্মত খোৱা পানী ব্যৱহাৰ নকৰা পৰিয়ালৰ সংখ্যা বেছি। কাৰণ মই জনাত এই গাওঁখনৰ খোৱা পানীত অধিক পৰিমানৰ আৰছেনিক আছে।

বেবেজীয়া গাওঁৰ ব্যক্তিসকলৰ বিভিন্ন চৰকাৰী স্বাস্থ্য আঁচনিৰ সজাগতাৰ ক্ষেত্ৰত তথ্য বিশ্লেষণ কৰোঁতে তলত দিয়া ধৰণে তথ্য পোৱা গল -

| তালিকা নং ১১ | | | | | |
|---|---|---|---|---|---|
| পৰিয়ালৰ সংখ্যা | আছে | শতকৰা হাৰ | নাই | শতকৰা হাৰ | সৰ্বমুঠ |
| ২০ | ২০ | ১০০% | ০ | ০% | ১০০% |

ওপৰৰ তথ্যৰ পৰা দেখা গল যে এই গাওঁখনৰ ১০০ শতাংশ লোকেই বিভিন্ন চৰকাৰী স্বাস্থ্য আঁচনিৰ ক্ষেত্ৰত সজাগতা দেখিবলৈ পোৱা যায়

## CONCLUSION:-

উপৰোক্ত ক্ষেত্ৰ অধ্যয়নৰ পৰা তথ্য বিশ্লেষণ কৰি আমি পালো যে জনসংখ্যা ফালৰ পৰা পুৰুষৰ তুলনাত মহিলাৰ সংখ্যা বেছি। কিন্তু শিক্ষাৰ ক্ষেত্ৰত মহিলাতকৈ পুৰুষ সকলৰ অলপ বেছি আগবঢ়া। এই গাওঁখনৰ লোক সকল শিক্ষাৰ ক্ষেত্ৰত প্ৰায়েই আগবঢ়া। বৰ্তমান নব প্ৰজন্মৰ প্ৰতিটো লৰা ছোৱালীয়ে চৰকাৰী খণ্ডৰ বিদ্যালযেই হওঁক বা ব্যক্তিগত খণ্ডৰ বিদ্যালয়তে হওঁক শিক্ষা গ্ৰহণ কৰিছে। এই গাওঁ খনত বিভিন্ন জাতিৰ লোকে বসবাস কৰে। এই গাওঁৰ

লোকৰ পৰিৱেশ সম্পৰ্কে সজাগতা আছে। ইয়াৰ অতি কম সংখ্যক লোকৰহে স্বাস্থ্য সম্পৰ্কে জ্ঞান নাই। এই গাওঁৰ বেছি ভাগ লোকেই প্ৰধান মন্ত্ৰী স্বচ্ছ ভাৰত অভিযান সম্পৰ্কে জ্ঞাত। কিয়নো আজিকালি স্বচ্ছ ভাৰত অভিজান সম্পৰ্কে টেলিভিছন, বাতৰি কাকত আদি সকলোৱে পৰা জানিব পাৰি। এই গাওঁখনৰ প্ৰায় সকলো লোকৰে বিজ্ঞানসন্মত শৌচাগাৰ আছে। কিছু কিছুৰ ঘৰত চৰকাৰে দিয়া শৌচাগাৰ আৰু কিছু কিছুৰ ঘৰত নিজে বনাই লোৱা শৌচাগাৰ, এই গাওঁৰ মানুহে দমকলৰ পানীক খোৱা পানী হিচাপে ব্যৱহাৰ কৰে আৰু এই পানী সম্পূৰ্ণ বিশুদ্ধ নহয়। কিছুদিনৰ আগতেই এই পানী পৰীক্ষাৰ বাবে বিভিন্ন পৰিক্ষাগাৰলৈ পঠিওৱা হয়, আৰু এই পৰীক্ষাত প্ৰমানিত হয় যে এই পানীত বহু পৰিমানৰ আৰচেনিক আছে। বৰ্তমানলৈকে এই গাওঁৰ লোকসকলে দমকলৰ পানীকে খোৱা পানী হিচাপে ব্যৱহাৰ কৰি আছে ফলত তেওঁলোকে নানা ধৰণৰ বেমাৰ আজাৰ হব পাৰে কিন্তু চৰকাৰে বৰ্তমান সময়লৈকে ইয়াৰ ওপৰত কোনো ধৰণৰ পদক্ষেপে লোৱা নাই। এই গাওঁৰ লোকসকলে প্ৰায়ভাগ চৰকাৰী আঁচনি সম্পৰ্কে জ্ঞাত।

শেষত ক'ব পাৰি যে গাওঁখনৰ প্ৰায়ভাগ লোকৰে পৰিৱেশীয় সজাগতা দেখিবলৈ পোৱা যায় আৰু অতি কম সংখ্যক লোকৰহে পৰিৱেশ সম্পৰ্কে সজাগতা কম।

***************************